# REGIONAL NEWS UNIT
# AKASHVANI GUWAHATI

0000000000

**Date : 04-08-2024**
**Time : 18-00 Hrs**

**ASSAMESE EVENING BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::**

অসম প্ৰদেশ বিজেপিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়।  তৃতীয়বাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে অধিষ্ঠিত হোৱা নৰেন্দ্ৰ মোদীক ধন্যবাদসূচক প্ৰস্তাৱৰ লগতে অভিনন্দন যাঁচি আৰম্ভ কৰা সভাখনত বিগত লোকসভা নিৰ্বাচনৰ ফলাফলৰ মূল্যায়ন কৰা হয়। ইয়াৰ লগতে ৰাজ্যৰ পাঁচটা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনৰ বাবে দলীয় কাৰ্যপ্ৰণালীৰ বিষয়তো কাৰ্যনিৰ্বাহক সভাত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যিক বিজেপিৰ নৱনিযুক্ত প্ৰভাৰী হৰিশ দ্বিৱেদীকে ধৰি ৰাজ্যিক বিজেপিৰ বিভিন্ন বিষয়ববীয়া, মুখপাত্ৰ, কোষ আৰু বিভাগৰ আহ্বায়ক তথা সাংসদ আৰু বিধায়কসকলৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ সভাপতিত্বত আজি কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। বিকশিত ভাৰতৰ যাত্ৰা অব্যাহত ৰাখি ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু তৃণমূল পৰ্যায়ত দলটোক সবল আৰু শক্তিশালী কৰি তোলাৰ লগতে সাংগঠনিক ভেটি সুদৃঢ়কৰণ তথা দলীয় নীতি প্ৰচাৰ আৰু প্ৰসাৰৰ সংকল্পৰে আজিৰ সভাই বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি দলৰ চৰকাৰখনে গ্ৰহণ কৰা জনকল্যাণমুখী কাম-কাজসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত দায়বদ্ধতাৰে কাম কৰি থকা দলীয় কৰ্মীসকলক আজিৰ সভাত কৃতজ্ঞতা জ্ঞাপন কৰা হয়।

০০০

মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী অসামৰিক চিকিৎসালয়ত বিশ্ব মাতৃ দুগ্ধপান সপ্তাহ উদযাপন কৰা হৈছে। এই উপলক্ষে মাজুলী জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে আঁত ধৰা এটা অনুষ্ঠানত স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়ববীয়াৰ লগতে চিকিৎসালয়খনৰ অধীক্ষক, উপ-অধীক্ষক আৰু অন্যান্য কৰ্মচাৰীসকল উপস্থিত থাকে। নৱজাতকৰ স্বাস্থ্যৰ ক্ষেত্ৰত মাতৃদুগ্ধৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰি সভাখনত দুগ্ধপানৰ প্ৰণালী সম্পৰ্কে বিতংকৈ অৱগত কৰা হয়। নৱজাতকক মাকৰ প্ৰথম পীতদুগ্ধ অৰ্থাৎ কলেষ্ট্ৰাম প্ৰদান কৰাৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ স্বাস্থ্য কৰ্মীসকলক সভাখনত আহ্বান জনোৱা হয়।

একেদৰে যোৰহাট জিলাতো মাতৃ দুগ্ধপান সপ্তাহ উপলক্ষে তিতাবৰৰ টাইৰুম চাহ বাগিছা আৰু কচুখাটত সজাগতা শিবিৰৰ আয়োজন কৰা হয়।

০০০

যোৰহাট জিলাৰ বৰহোলা বচাগাঁৱত যোৰহাট পশু চিকিৎসা বিভাগৰ উদ্যোগত এটা পশু স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। বান ক্ষতিগ্ৰস্ত অঞ্চলটোত বানপানীৰ পাছত কৃষকে কিদৰে পশুধনৰ যত্ন ল'ব লাগে সেই বিষয়ে শিবিৰটোত পশু চিকিৎসা বিভাগে অৱগত কৰে। ইয়াৰ লগতে শিবিৰটোত পশুৰ দৰৱ আৰু আৰু খাদ্য বিনামূলীয়াকৈ বিতৰণ কৰা হয়।

০০০০

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ১৮ আগষ্টত মায়ং মহাবিদ্যালয় খেলপথাৰত পোনপ্ৰথম বাৰৰ বাবে মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আজি খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এখন সংবাদ মেলত মৰিগাঁও জিলাৰ আয়ুক্ত তথা মহোৎসৱ উদযাপনৰ মুখ্য পৃষ্ঠপোষক দেৱাশীষ শৰ্মাই কাৰ্যসূচী সম্পৰ্কে সবিশেষ সদৰি কৰে। সংবাদ মেলক সম্বোধন কৰি শ্ৰীশৰ্মাই কয় যে অহা ১৮ আগষ্টৰ পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰে যাদু মহোৎসৱৰ শুভাৰম্ভণি হ'ব। শোভাযাত্ৰাত অঞ্চলটোৰ যাদু সংস্কৃতি আৰু স্থানীয় কলা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা হ'ব বুলি শ্ৰীশৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে মায়ঙৰ যাদু শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। আয়ুক্তগৰাকীয়ে মহোৎসৱৰ যোগেদি অন্ধবিশ্বাসৰ সলনি মায়ঙৰ ঐতিহ্য বহন কৰা যাদুৰ ইতিহাসৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সংৰক্ষণমুখী পৰ্যটনৰ বাট মুকলি কৰাৰ চেষ্টা কৰা হৈছে বুলি মন্তব্য কৰে।

০০০০

মৰিগাঁও জিলাৰ সদৰ বিহুতলীত এটা স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত আজি এদিনীয়া বিনামূলীয়া স্বাস্থ্য সেৱা শিবিৰৰ আয়োজন কৰা হয়। ডাঃ সত্যম বিশ্বাসৰ নেতৃত্বত বিনামূলীয়া স্বাস্থ্য সেৱা শিবিৰটোত অৰ্দ্ধশতাধিক ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়।

০০০০

মৰিগাঁও সশস্ত্ৰ সীমাবলৰ ছাউনীত ১ নম্বৰ বেটেলিয়নৰ উদ্যোগত এটা স্বেচ্ছামূলক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। সশস্ত্ৰ সীমাবলৰ মৰিগাঁৱত থকা বি কোম্পানী, মৰিগাঁও অসামৰিক চিকিৎসালয় আৰু মৰিগাঁও আৰক্ষীৰ লগতে স্থানীয় জনসাধাৰণৰ প্ৰচেষ্টাত এই ৰক্তদান শিবিৰটো অনুষ্ঠিত হয়। শিবিৰত প্ৰায় ৩০জন লোকে স্বেচ্ছামূলকভাৱে ৰক্তদান কৰে। ৰক্তদান বিষয়ত সজাগতা সৃষ্টিৰ লগতে মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংকত পৰ্যাপ্ত পৰিমাণৰ ৰক্ত মজুত কৰি ৰাখিবৰ বাবে এই শিবিৰটোৰ আয়োজন কৰা হৈছিল বুলি উদ্যোক্তাসকলৰ তৰফৰ পৰা মৰিগাঁও জিলা আৰক্ষী অধীক্ষকে জানিবলৈ দিছে।

০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছত জিকি শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৩৬ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩৬ ৰাণ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ' হোৱাৰ পাছত দুয়োটা দলেই আজিৰ খেলখনত জয়ী হোৱাৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

০০০০

ভাৰতীয় পুৰুষ হকী দলটোৱে পেৰিছ অলিম্পিকৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনক ৪-২ গলত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰা লাভলীনা বৰগোঁহাই পেৰিছ অলিম্পিকৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত চীনৰ লী কিয়ানৰ হাতত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়।

ইফালে, পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত পৰাজয় বৰণ কৰে। সেনে কাইলৈ মালয়েছিয়াৰ লী জি জিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত